**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 19-05-2026 **Time :** 0755 Hrs.

কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলৰ উপস্থিতিত আজি গুৱাহাটীত ব্ৰহ্মপুত্ৰ বোৰ্ডৰ উচ্চ ক্ষমতাসম্পন্ন পৰ্যালোচনা পৰিষদৰ চতুৰ্দশ বৈঠক অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু জলশক্তি দপ্তৰৰ ৰাজ্য মন্ত্ৰী ৰাজ ভূষণ চৌধুৰীও এই অনুষ্ঠানত উপস্থিত থাকিব। আজিৰ বৈঠকখনত ত্ৰয়োদশ বৈঠকত গ্ৰহণ কৰা সিদ্ধান্তসমূহ ৰূপায়ণৰ স্থিতি পৰ্যালোচনা কৰাৰ উপৰি ব্ৰহ্মপুত্ৰ বোৰ্ডৰ সামগ্ৰিক কামকাজৰ মূল্যায়ণ কৰা হ'ব। তদুপৰি বহনক্ষম জলসংৰক্ষণৰ প্ৰচাৰৰ বাবে উত্তৰ-পূৰ্বাঞ্চলৰ পৰম্পৰাগত আৰু থলুৱা জল ব্যৱস্থাপনা পদ্ধতিৰ সম্পৰ্কীয় গ্ৰন্থ আৰু তথ্যচিত্ৰ মুকলি কৰা হ'ব। উল্লেখযোগ্য যে, ব্ৰহ্মপুত্ৰ বোৰ্ডৰ এই উচ্চ ক্ষমতাসম্পন্ন পৰ্যালোচনা পৰিষদৰ পুনৰ গঠনৰ পাছত এই বৈঠকে বিশেষ তাৎপৰ্য বহন কৰিছে।

০০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে ২০২৬-২৭ শৈক্ষিক বৰ্ষৰ নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ পঞ্জীয়নৰ অন্তিম তাৰিখ ২৪ মে'লৈ বৃদ্ধি কৰিছে। এই সন্দৰ্ভত কালি পৰিষদৰ এক নম্বৰ সংমণ্ডলৰ যুটীয়া সচিবে অধিসূচনা জাৰি কৰে। অধিসূচনা অনুসৰি ৩০ মে' পৰ্যন্ত বিদ্যালয়সমূহে পঞ্জীয়ন মাচুল জমা দিব পাৰিব। নিৰ্ধাৰিত সময়ত সকলো বিদ্যালয়ক ছাত্ৰ-ছাত্ৰীৰ পঞ্জীয়ন প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ কোৱা হৈছে। পৰৱৰ্তী সময়ত পঞ্জীয়নৰ সময় বৃদ্ধি কৰা নহ'ব বুলিও অধিসূচনাত উল্লেখ কৰা হৈছে।

আনহাতে, অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে কালি ৰাজ্যৰ নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে সাধাৰণ গণিত আৰু সাধাৰণ বিজ্ঞান বিষয় দুটা ইংৰাজী মাধ্যমত পঢ়াৰ বাবে কোনো বাধা নাথাকিব বুলি এখন জাননী জাৰি কৰিছে। অৱশ্যে বিষয় দুটা ইংৰাজী মাধ্যমত পঢ়াৰ সুবিধা সংশ্লিষ্ট বিদ্যালয়খনত থাকিব লাগিব বুলিও জাননীখনত স্পষ্ট কৰি দিয়া হৈছে। ইতিমধ্যে ২০২৬-২৭ শৈক্ষিক বৰ্ষৰ বাবে নৱম শ্ৰেণীৰ পঞ্জীয়ন প্ৰক্ৰিয়া প্ৰায় সম্পূৰ্ণ হৈছে। যিসকল শিক্ষাৰ্থীয়ে দুয়োটা বিষয় ইংৰাজী মাধ্যমত পঢ়িব বিচাৰে তেওঁলোকৰ বাবে পঞ্জীয়ন প্ৰক্ৰিয়াত কোনো সাল সলনি কৰাৰ প্ৰয়োজন নহয় বুলিও পৰিষদে জনাইছে।

০০০০০০০

দেশৰ অন্যান্য অংশল লগতে ধেমাজি জিলাৰ আটাইকেইটা উন্নয়ন খণ্ডতে কালি কেন্দ্ৰীয় চৰকাৰৰ **জন ভাগিদাৰী সপ্তাহ**ৰ আনুষ্ঠানিক শুভাৰম্ভ কৰা হয়। চৰকাৰৰ জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰ উদ্যোগত এই দেশজোৰা উদ্যমৰ লক্ষ্য হৈছে জনজাতিয় লোকসকলৰ বাবে থকা কল্যাণমূলক আঁচনিসমূহৰ বিষয়ে সজাগতা সৃষ্টি আৰু ক্ষেত্ৰ প্ৰচাৰ তথা সৱা প্ৰদান শিবিৰৰ জৰিয়তে হিতাধিকাৰীসকলৰ পৰিপূৰ্ণতা নিশ্চিত কৰা।

অহা ২৫ মে' পৰ্যন্ত চলিবলগীয়া এই অভিযানৰ সময়ছোৱাত মূলতঃ জনজাতিয় লোকসকলৰ বাবে স্বাস্থ্য পৰীক্ষা, পুষ্টি আৰু প্ৰতিৰোধমূলক স্বাস্থ্য সেৱাৰ বাৰ্তা প্ৰেৰণ, অভিযোগ নিৰাময়, জীৱিকা প্ৰসাৰ আদি খণ্ডসমূহত গুৰুত্ব আৰোপ কৰা হ'ব।

০০০০০০০

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, অসম চুক্তি ৰূপায়ন, আবকাৰী বিভাগৰ মন্ত্ৰী অতুল বৰাক অন্তৰ্বৰ্তীকালীন ব্যৱস্থা হিচাপে সংসদীয় পৰিক্ৰমা বিভাগৰ কাম-কাজ চোৱাচিতা কৰাৰ দায়িত্ব

অৰ্পণ কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ পৰামৰ্শ অনুসৰি ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই এই নিৰ্দেশনা জাৰি কৰিছে।

০০০০০০০

যোৰহাট জিলাৰ বৰহোলা আৰক্ষী চকীৰ এটা দলে কালি দুজন মাদকদ্ৰব্য সৰবৰাহকাৰীক আটক কৰে। দলটোৱে সৰবৰাহকাৰী দুজনৰ পৰা নিষিদ্ধ দ্ৰব্যও জব্দ কৰে। ঘটনা সন্দৰ্ভত পৰৱৰ্তী আইনী প্ৰক্ৰিয়া অব্যাহত আছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০০০

৬ জুনৰ পৰা আফগানিস্তানৰ বিৰুদ্ধে হ'বলগীয়া ক্ৰিকেট শৃংখলাৰ বাবে ভাৰতীয় দল নিৰ্বাচন সন্দৰ্ভত বি চি চি আইৰ এখন গুৰুত্বপূৰ্ণ বৈঠক আজি গুৱাহাটীত অনুষ্ঠিত হ'ব। অসম ক্ৰিকেট সংস্থাৰ কাৰ্যালয়ত বিয়লি চাৰি বজাত বৈঠকখন আৰম্ভ হ'ব। আফগানিস্তানৰ বিৰুদ্ধে হ'বলগীয়া শৃংখলাটোত ভাৰতীয় দলটোৱে এখন টেষ্ট মেচ আৰু তিনিখন এদিনীয়া মেচ খেলিব। বৈঠকৰ অন্তত দল ঘোষণাৰ বাবে বি চি চি আইয়ে সংবাদমেল সম্বোধন নকৰে। বিপৰীতে বি চি চি আইয়ে বিশেষ লিংকৰ জৰিয়তে নিৰ্বাচিত ভাৰতীয় দলৰ তালিকা প্ৰকাশ কৰিব।

০০০০০০০

ছানৰাইজাৰ্ছ হায়দৰাবাদ আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ চলিত সংস্কৰণৰ প্লে-অফ পৰ্যায়ত উপনীত হৈছে। দলটোৱে যোৱানিশা চেন্নাইত অনুষ্ঠিত এখন গুৰুত্বপূৰ্ণ খেলত চেন্নাই ছুপাৰ কিংছক ৫ উইকেটত পৰাস্ত কৰি প্লে-অফত স্থান নিশ্চিত কৰে। খেলখনত প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি চেন্নাইয়ে নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৮০ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ কাৰ্তিক শৰ্মাই সৰ্বাধিক ৪৪ ৰানৰ বৰঙণি আগবঢ়ায়। হায়দৰাবাদৰ পেট কামিন্সে ৩টা আৰু ছাকিব হুছেইনে দুটা উইকেট দখল কৰে। প্ৰত্যুত্তৰত ছানৰাইজাৰ্ছ হায়দৰাবাদে ১৯ অভাৰত ৫টা উইকেট হেৰুৱাই বিজয় লক্ষ্য অতিক্ৰম কৰে। দলটোৰ হৈ ঈষাণ কিষাণে ৭০ আৰু হেনৰিক ক্লাছেনে ৪৭ ৰানৰ বৰঙণি আগবঢ়ায়। খেলখনত আগবঢ়োৱা উজ্জীৱিত প্ৰদৰ্শনৰ বাবে ঈষাণ কিষাণক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়। খেলখনত বিজয়ী হোৱাৰ সুবাদত হায়দৰাবাদে গ্ৰুপ পৰ্যায়ত নিজৰ আৰু এখন খেল বাকী থকা অৱস্থাতে সম্প্ৰতি ১৬ পইণ্ট লাভ কৰিছে। একেদৰে গুজৰাট টাইটানছ দলটোৱেও ১৬ পইণ্ট লাভ কৰি প্লে-অফত স্থান নিশ্চিত কৰিছে। ইপিনে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে ১৮ পইণ্টেৰে প্লে-অফত উপনীত হৈছে। অৱশ্যে ১৩ খন খেলৰ পৰা এইপৰ্যন্ত ১২ পইণ্ট অৰ্জন কৰা চেন্নাইৰ দলটোও প্লে-অফ পৰ্যায়ত উপনীত হোৱাৰ দৌৰত আছে।

প্ৰতিযোগিতাত আজি জয়পুৰত ৰাজস্থান ৰয়েলছ লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০০

**সমাপ্ত**